**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 21-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন পৰ্যটনস্থলীক নতুন ৰূপ দিয়াৰ প্ৰয়াসেৰে উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত গুৰুত্ব আৰোপ কৰিছে। ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰা মতে কাজিৰঙা, জিৰ', ছ'হৰা, ঠেনজল, মাতাবাৰী, কিছামা, নামছি আৰু মৈৰাঙক বিশ্বমানৰ পৰ্যটনস্থলী কৰি তোলাৰ বাবে কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উত্তৰ-পূবক ভাৰতৰ বিকাশৰ ইঞ্জিন হিচাপে গঢ়ি তুলিবলৈ অঞ্চলটোত পৰ্যটন আৰু সাংস্কৃতিক ক্ষেত্ৰৰ পৰিৱৰ্তন সাধন কৰিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি প্ৰতিখন ৰাজ্যতে কেতবোৰ বিশেষ সামগ্ৰীৰ প্ৰচাৰৰ বাবে অভিলাষী আঁচনি লোৱা হৈছে। ইয়াৰ বাবে অসমৰ মুগা, মেঘালয়ৰ লেকাডং হালধি, মণিপুৰৰ প'ল', ছিকিমৰ জৈৱিক কৃষি আৰু ত্ৰিপুৰাৰ কুইন প্ৰজাতিৰ আনাৰসক বিশ্বজুৰি জনপ্ৰিয় কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। উত্তৰ-পূবৰ সম্ভাৱনাপূৰ্ণ পৰ্যটন খণ্ডক আগুৱাই নিয়াৰ লক্ষ্যৰে অঞ্চলটোৰ ৮ খন ৰাজ্যত বিমান বন্দৰৰ সংখ্যা ১৭ লৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তদুপৰি ভৌগোলিক পৰ্যটনৰ ধাৰণাটো জনপ্ৰিয় কৰিবলৈ বহনক্ষম কাৰ্যসূচী লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শেহতীয়াকৈ হোম ষ্টে আৰু ভৌগোলিক পৰ্যটনৰ পৰিসৰ ৪৫ শতাংশ বৃদ্ধি হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে পৰ্যটন, বিনিয়োগ, হস্তশিল্প, কৃষি আন্তঃগাঁথনি, ক্ৰীড়া আৰু উত্তৰ-পূবক অৰ্থনৈতিক কৰিড'ৰ হিচাপে গঢ়ি তুলিবলৈ কৰ্ম বাহিনী গঠনত গুৰুত্ব আৰোপ কৰে। উত্তৰ-পূবৰ পৰা ৰপ্তানি বৃদ্ধি কৰাৰ বাবে নতুন প'ৰ্টেল মুকলি কৰা হৈছে বুলিও তেওঁ কয়।

০০০০০০০

অহা ডিচেম্বৰৰ বা জানুৱাৰীৰ ভিতৰত কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বাগৰিত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৩২ কিলোমিটাৰ এলিভেটেড কৰিড'ৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত অনুমোদন দিছে। উল্লেখযোগ্য যে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰৰ পৰা নুমলীগড় পৰ্যন্ত পথছোৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ লগতে আন কেতবোৰ কাৰণত চাৰিলেনযুক্ত পথলৈ উন্নীত হোৱা নাছিল। বৃহত্তৰ এলেকাটোৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি শেহতীয়াকৈ এই পথছোৱাত এলিভেটেড কৰিড'ৰসহ চাৰিলেনযুক্ত পথলৈ উন্নীত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়।

০০০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি দেশখনৰ আৰক্ষীৰ সৈতে আলোচনাত মিলিত হ'ব। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰে গঠিত দুজনীয়া দলটোৱে ছিংগাপুৰ আৰক্ষীৰ পৰা জুবিনৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য গ্ৰহণ কৰিব। ছিংগাপুৰ ভ্ৰমণ সন্দৰ্ভত গোটৰ মুৰব্বী গুপ্তাই পৰৱৰ্তী সময়ত সংবাদ মাধ্যমক সকলো অৱগত কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে।

ইপিনে সোণাপুৰত থকা জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰ নিৰ্মাণক লৈ কালি শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মাণ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গ, ভগ্নী পামী বৰঠাকুৰ, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথী মহন্ত, অভিনেতা প্ৰাঞ্জল শইকীয়া, লেখিকা অনুৰাধা শৰ্মা পূজাৰী, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, সংগীত শিল্পী পুলক বেনাৰ্জীকে ধৰি সমিতিখনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকৰে হোৱা কথা বাৰ্তাত গৰিমা গাৰ্গে কয়, যে জুবিন গাৰ্গক নৱপ্ৰজন্মৰ আগত চিনাকী কৰি দিব পৰাকৈ সকলো সমল স্মৃতিক্ষেত্ৰত থাকিব লাগিব। জুবিনৰ শেষকৃত্য সম্পন্ন হোৱা সোণাপুৰৰ কমাৰকুছি স্থানক

জুবিনক্ষেত্ৰ হিচাপে পৰিচিত হোৱাটো বিচাৰে বুলি গৰিমা গাৰ্গে প্ৰকাশ কৰে। জুবিন গাৰ্গে প্ৰকৃতিক অন্তৰেৰে ভাল পাইছিল বুলি উল্লেখ কৰি গৰিমা গাৰ্গে কয়, যে জুবিনক্ষেত্ৰখনো প্ৰাকৃতিক পৰিৱেশৰ সৈতে সংপৃক্ত হৈ থাকিব লাগিব।

ইপিনে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি যোৰহাটত প্ৰকাশ কৰে। তদন্তকাৰী সংস্থাৰ ওপৰত আস্থা ৰাখিবলৈও তেওঁ ৰাইজলৈ আহ্বান জনায়।

**বাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

০০০০০০০

ৰাজ্যখনত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নামত অনিয়ম হোৱা বুলি অভিযোগ উত্থাপন কৰি যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত শ্ৰী গগৈয়ে যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণক কাম-কাজ লেহেমীয়া হোৱাৰ ফলত উজনি অসমৰ ৰাইজৰ ভীষণ সমস্যা হৈছে বুলি উল্লেখ কৰে। ৩১ ডিচেম্বৰৰ ভিতৰত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি কোৱা হৈছিল যদিও ঘাইপথটোৰ বৃহৎ অংশ অসম্পূৰ্ণ হৈ থকাৰ বিষয়টো সাংসদগৰাকীয়ে মন্ত্ৰীগৰাকীক দৃষ্টিগোচৰ কৰে। তেওঁ লগতে এই ঘাইপথ নিৰ্মাণৰ কামত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলি কামৰ অগ্ৰগতি আৰু মান সূক্ষ্মভাৱে পৰীক্ষা কৰিবলৈ দাবী জনায়।

০০০০০০০

কাহিলিপাৰাৰ দশম অসম আৰক্ষী ছাউনীত আজি আৰক্ষী স্মৃতি দিৱস উদযাপন কৰা হয়। এই দিৱস উপলক্ষে দেশৰ বাবে প্ৰাণ আহুতি দিয়া আৰক্ষীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমীত সিঙকে ধৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলেও শ্ৰদ্ধাঞ্জলি জনায়। দিৱস উপলক্ষে আকৰ্ষণীয় পেৰেড অনুষ্ঠিত হয়। আৰক্ষী স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীলৈ অভিবাদন জ্ঞাপন কৰে। দেশক ৰক্ষা কৰাৰ বাবে আৰক্ষীৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে। তেওঁ কয়, যে আৰক্ষীৰ নিৰন্তৰ সেৱাই জনসাধাৰণক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰি আহিছে।

হাটশিঙিমাৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। জিলা আৰক্ষী অধীক্ষক হৰেণ টক্‌বীয়ে আৰক্ষীৰ স্মৃতি দিৱস সম্পৰ্কে আলোকপাত কৰে।

০০০০০০০

অসম চৰকাৰে ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱৰ বাবে মনোনয়ন আহ্বান কৰিছে। বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হয়। এগৰাকী ব্যক্তিয়ে নিজকে বা আন এগৰাকী ব্যক্তিক এই সন্মানৰ বাবে মনোনীত কৰিব পাৰে। assamcivilianawards.assam.gov.in প'ৰ্টেলৰ জৰিয়তে লাভ কৰা মনোনয়ন সমূহকহে বৈধ বুলি বিবেচনা কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন ২০ নৱেম্বৰ ধাৰ্য কৰা হৈছে। এই সন্মান লাভ কৰা সকলে নগদ ধনৰ পুৰস্কাৰ, চৰকাৰী আৰু তালিকাভুক্ত ব্যক্তিগত চিকিৎসালয়ত পাঁচ লাখ টকালৈ বিনামূলীয়া চিকিৎসাৰ সুবিধা, চৰকাৰী আৱৰ্ত ভৱন, অতিথিশালা আৰু অসম ভৱনত বিনামূলীয়া থকা-খোৱাৰ ব্যৱস্থাকে ধৰি কেইবাটাও সুবিধা লাভ কৰিব পাৰিব।

০০০০০০০

**সমাপ্ত**